# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 09-06-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰ ডং ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ সন্দৰ্ভত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সদনৰ এই প্ৰস্তাৱ পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱা হ'ব। আজি অনুষ্ঠিত অধিৱেশনৰ আৰম্ভণিতে প্ৰাক্তন মন্ত্ৰী শুকুৰ আলী আহমেদ আৰু সাম্প্ৰতিক বান আৰু খহনীয়াত জীৱন হেৰুওৱা লোকসকলৰ লগতে জম্মু-কাশ্মীৰৰ পেহেলগাম আক্ৰমণত মৃত্যু হোৱা লোকসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা জনোৱা হয়। সদনৰ শূন্যকালত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু এ আই ইউ ডি এফৰ বিধায়ক আশ্ৰাফুল হুছেইনে অবৈধ বাংলাদেশী ঘূৰাই পঠিওৱা বিষয়টো সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰশ্নৰ উত্তৰত কয়, যে ৰাজ্যৰ পৰা অবৈধ বাংলাদেশীক ঘূৰাই পঠাবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। অবৈধ নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অবৈধ বিদেশী চিনাক্ত আৰু বিতাড়ণ কৰিবলৈ জিলা আয়ুক্তক ১৯৫০ চনৰ আইন অনুসৰি ক্ষমতা প্ৰদান কৰা হৈছে। ইপিনে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বৰদুৱাৰ চাহ বাগিচাক অন্তৰ্ভুক্ত কৰি প্ৰস্তাৱিত পলাশবাৰী ছেটেলাইট টাউনশ্বিপৰ বিষয়টো উত্থাপন কৰে। ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে গোৱালপাৰাৰ লক্ষীপুৰৰ উচ্ছেদ সন্দৰ্ভত কৰা প্ৰশ্নৰ মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়ে। ৰাক্ষসিনী পাহাৰৰ ভূমি সন্দৰ্ভত বিধায়ক শ্বেৰমান আলীয়ে প্ৰশ্ন উত্থাপন কৰে। আজিৰ এই এদিনীয়া অধিৱেশনত জলজীৱন মিছন সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০

সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি অসম বিধানসভাৰ বিশেষ অধিৱেশনত ড০ ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড় বিমান বন্দৰটো নামকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰাত ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ভাৰতৰত্ন বঁটাপ্ৰাপক সংগীতশিল্পী ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা বিমান বন্দৰটোত অধিক বিমান সেৱা সংযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে সাংসদ শ্ৰীগগৈয়ে আজি অসম বিধানসভাত দৰ্শকৰ আসনত উপস্থিত থাকে।

০০০০০

অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী কনাড পুৰকায়স্থ আৰু অগপৰ প্ৰাৰ্থী বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই মনোনয়ন পত্ৰ দাখিল কৰে। দুয়োগৰাকী প্ৰাৰ্থীয়ে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী তথা বিজেপিৰ

জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, অগপৰ সভাপতি অতুল বৰা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে।

ইপিনে বিৰোধী দল কংগ্ৰেছে এই নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়োৱা নাই। বিৰোধীৰ পক্ষত নিৰ্বাচনত জয়ী হ'ব পৰাকৈ বিধায়ক নাই বাবেই ৰাজ্যসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত থকা বুলি দলটোৱে প্ৰকাশ কৰিছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ দুয়োখন আসনেই শাসকীয় মিত্ৰজোঁটৰ দখলত আছে। বিৰোধীয়ে নিৰ্বাচনত প্ৰাৰ্থিত্ব নিদিয়াৰ সিদ্ধান্তই শাসকীয় মিত্ৰজোঁটৰ দুয়োগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাতো স্পষ্ট কৰিছে। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত উকলি যাব।

ooooo

বিশ্বনাথ জিলাৰ বালিচাং পঞ্চায়তত আজি বিকশিত কৃষি সংকল্প অভিযানৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত হয়। কৃষি বিজ্ঞান কেন্দ্ৰ শোণিতপুৰৰ উদ্যোগত আৰু যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়, ভাৰতীয় কৃষি গৱেষণা পৰিষদসহ আন কেইবাটাও বিভাগৰ সহযোগত আয়োজন কৰা সভাখনত বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে সজাগ কৰা হয়। আধুনিক প্ৰযুক্তিৰ দ্বাৰা কৃষকসকল কেনেকৈ অধিক লাভান্বিত হ'ব পাৰিব, সেই বিষয়েও কৃষকসকলক অৱগত কৰা হয়। এই কাৰ্যসূচীত জিলা আয়ুক্তৰ লগতে বিশ্বনাথ কৃষি বিশ্ববিদ্যালয়ৰ ডীনসহ আন কেইবাজনো কৃষি বিষয়া উপস্থিত থাকে।

বিকশিত কৃষি সংকল্প অভিযানৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ধেমাজি জিলাৰ নাহৰবাৰী, কচুতলি, গোগামুখ আৰু মিংমাং গাঁও পঞ্চায়তত সজাগতা সভা অনুষ্ঠিত হয়। ধেমাজিৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীৰ দুটাকৈ দলে মুঠ ৪ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৫১ খন গাঁৱৰ এহেজাৰ ৪২৯ গৰাকী কৃষকক বিভিন্ন আঁচনিৰ বিষয়ে সজাগ কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই ৰাজ্যত গৰমৰ প্ৰকোপ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ বিদ্যালয়সমূহলৈ কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি বিদ্যালয়সমূহত প্ৰাতঃ সভা নিৰাপদ আৰু ছাঁ থকা ঠাইত কৰাৰ লগতে প্ৰতিটো শ্ৰেণীত এখন বেঞ্চত তিনিগৰাকী শিক্ষাৰ্থী বহাৰ ব্যৱস্থা কৰা, প্ৰতিটো শ্ৰণীকোঠাৰ সন্মুখত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা, আধা ঘণ্টাৰ মূৰে মূৰে শিক্ষাৰ্থীসকলক পানী খাবলৈ দিয়া, শ্ৰেণীকোঠাসমূহত বৈদ্যুতিক ফেনৰ ব্যৱস্থা কৰা, ইউনিফৰ্মৰ ক্ষেত্ৰত কিছু শিথিল ব্যৱস্থা কৰা, স্বাস্থ্যজনিত কিবা সমস্যাই দেখা দিলে অভিভাৱকক অৱগত কৰোৱাৰ লগতে তাৎক্ষণিকভাৱে চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰা আৰু বিদ্যালয়ৰ সমীপত ফাষ্টফুড আৰু শীতল পানীয় বিক্ৰীৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই অনুমতি নিদিয়াকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰিছে।

ooooo

সমাপ্ত